মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 31, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৯৩ | Guwahati, Assam ।। মূল্যঃ এটকা

## ৰঙাগড়া চাহ বাগিচাত অগ্নিকাণ্ড

■ সবিশেষ ৬ পৃষ্ঠাত

## নিৰ্বাচনৰ পিছতে বন্ধ হ'ব বহু বিবাহ

■ সবিশেষ বাতৰি ৭ পৃষ্ঠাত চাওক

## ৰাজীৱ ভৱনত 'কৰ সন্ত্ৰাস'ৰ বিৰুদ্ধে অৱস্থান ধৰ্মঘট

■ সবিশেষ বাতৰি ৪ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত গ্ৰাহকক ঠগালে জে.বি ডিলাৰে

■ সবিশেষ ৪ পৃষ্ঠাত

## যোৰহাটত গৌৰৱ গগৈক ৰুধিবলৈ 'তপন বাহিনী'ৰ কৌশল

# বিজেপিৰ সভালৈ নগ'লে 'ফ্ৰী চাউল' নিদিয়াৰ ভাবুকি!



**বিশেষ প্ৰতিনিধি, ৩০ মাৰ্চঃ** নিৰ্বাচনলৈ দিন যিমানেই চমু চাপিছে সিমানেই আৰম্ভ হৈছে ছল-বল, কৌশলৰ ৰাজনীতি। ৰাজ্যৰ বাকী সমষ্টিসমূহতকৈয়ো এনে ৰাজনীতি এতিয়া কেবাগুণে অধিক হৈ পৰা দেখা গৈছে হট সমষ্টিত পৰিণত হৈ পৰা যোৰহাট লোকসভা সমষ্টিত। কংগ্ৰেছৰ যুৱ নেতা গৌৰৱ গগৈয়ে নগাঁও, কাজিৰঙা নে যোৰহাট শেষাংশ ২ পৃষ্ঠাত

## ইণ্ডিয়া মিত্ৰজোঁটে আজি কঁপাব দিল্লীৰ ৰামলীলা ময়দান



**নতুন দিল্লী, ৩০ মাৰ্চঃ** কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে কাইলৈ বিৰোধীৰ 'হাল্লাবোল'। ঐতিহাসিক ৰামলীলা ময়দানত অনুষ্ঠিত হ'ব শেষাংশ ৫ পৃষ্ঠাত

## মানস বৰা, কিশোৰ ভট্টই এৰিলে দল

### কংগ্ৰেছত খহনীয়া

**ই-সংবাদ, ৩০ মাৰ্চঃ** অসমত কংগ্ৰেছ দলৰ ত্যাগৰ জোৱাৰ উঠিছে। সৰু-বৰ গণ্ডাই গণ্ডাই কংগ্ৰেছ নেতাই বিজেপিত যোগদান শেষাংশ ৩ পৃষ্ঠাত

## দুই নাৰীয়ে ভগালে দুখ!

**নতুন দিল্লী, ৩০ মাৰ্চঃ** দিল্লীত কাইলৈ একত্ৰিত হ'ব দেশৰ সকলো বিৰোধী দলৰ নেতা। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে ইণ্ডিয়া মিত্ৰজোঁটে প্ৰতিবাদ সাব্যস্ত কৰিব। ইতিমধ্যে দিল্লীত উপস্থিত হৈছে ঝাৰখাণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ পত্নী শেষাংশ ৩ পৃষ্ঠাত

স্বামী জেলত, দুখৰ দিনত আলিংগন কৰি যুঁজ দিয়াৰ পণ



## অসাংবিধানিক ঘোষণা কৰাৰ ৩ দিন পূৰ্বেও চলিছিল বণ্ড ছপোৱাৰ যো-জা

### ৰাজনীতিৰ বাবে শৰাধ জনতাৰ ধন

**নতুন দিল্লী, ৩০ মাৰ্চঃ** সৰ্বোচ্চ ন্যায়ালয়ে নিৰ্বাচনী হুণ্ডিক অসাংবিধানিক বুলি ঘোষণা কৰাৰ ৩ দিন পূৰ্বে বিত্ত মন্ত্ৰণালয়ে ছিকিউৰিটি প্ৰিণ্টিং এণ্ড মিটিং কৰ্প'ৰেশ্যন অব ইণ্ডিয়া চমুকৈ এছপিএমচিআইএলক ১ কোটি টকীয়া ১০,০০০ নিৰ্বাচনী হুণ্ডিৰ ছপাত অনুমোদন জনাইছিল। ইণ্ডিয়ান শেষাংশ ২ পৃষ্ঠাত

৬ পৃষ্ঠাত বৰপেটাৰোডত পথ দুৰ্ঘটনাত একে পৰিয়ালৰ ৩ জনৰ কৰুণ মৃত্যু

৩ পৃষ্ঠাত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে মানহানি গোচৰ তৰিবলৈ সাজু ভূপেন বৰা

৩ পৃষ্ঠাত তীব্ৰবেগী বাহনৰ খুন্দাত থিতাতে নিহত আৰক্ষীৰ জোৱান

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসাংবিধানিক ঘোষণা কৰাৰ

এক্সপ্ৰেছত প্ৰকাশিত বাতৰি অনুযায়ী সৰ্বোচ্চ ন্যায়ালয়ে আদেশ প্ৰদান কৰাৰ এপষেক পিছত ২৮ ফেব্ৰুৱাৰীত বিত্ত মন্ত্ৰণালয়ে ভাৰতীয় ষ্টেট বেংকক তাৎক্ষণিকভাৱে হুণ্ডিৰ ছপা বন্ধ কৰিবলৈ কৈছিল। তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে লাভ কৰা বিত্ত মন্ত্ৰণালয় আৰু এছবিআইৰ মাজত হোৱা চিঠি-পত্ৰ আৰু ইমেইলৰ ফাইল নোটিঙৰ আধাৰত এই বাতৰি প্ৰকাশ কৰিছে ইণ্ডিয়ান এক্সপ্ৰেছে। এছপিএমচিআইএলে অন্তিমটো বাণ্ডিলত ৮৩৫০খন বণ্ড ছপা কৰি এছবিআইলৈ প্ৰেৰণ কৰাৰ কথাও এই ফাইল নোটিঙত স্পষ্ট হৈ পৰিছে। বণ্ডৰ এই বাণ্ডিলটো চলিত বৰ্ষৰ ২১ ফেব্ৰুৱাৰীত এছবিআইলৈ পঠিয়াইছিল ছপাশালটোৱে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল ইয়াৰ প্ৰায় এসপ্তাহ পূৰ্বেই সৰ্বোচ্চ ন্যায়ালয়ে এই নিৰ্বাচনী হুণ্ডিক অসাংবিধানিক ঘোষণা কৰি বাতিল কৰিছিল। আৰটিআইৰ জৰিয়তে এয়াও স্পষ্ট হৈ পৰিছে যে ইলেক্ট'ৰেল বণ্ড আঁচনি পৰিচালনাৰ দায়িত্বত থকা এছবিআইয়ে সমগ্ৰ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবদ চৰকাৰৰ পৰা প্ৰায় ১২ কোটি টকাৰ জিএছটি পাবলৈ আছে আৰু ইয়াৰে ৮.৫৭ কোটি টকা ইতিমধ্যে লাভ কৰিছে। একেদৰে নাছিকস্থিত ইণ্ডিয়া ছিকিউৰিটি প্ৰেছত বণ্ড ছপোৱাৰ বাবদ চৰকাৰে ছপাশালটোক দিবলগীয়া ১.৯৩ কোটি টকাৰ ১.৯০ কোটি টকা আদায় দিছে। এনেদৰে এতিয়া সৰ্বোচ্চ ন্যায়ালয়ে অবৈধ ঘোষণা কৰাৰ এসপ্তাহ পিছতো জনতাৰ কৰৰ ধন ইলেক্ট'ৰেল বণ্ড ছপোৱাৰ নামত খৰছ কৰাৰ কথা পোহৰলৈ অহাৰ পিছতে দেশজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ইণ্ডিয়ান এক্সপ্ৰেছত প্ৰকাশিত বাতৰিটোত উল্লেখ কৰা মতে, এছবিআইৰ লেনদেন বিভাগৰ সহকাৰী মহা প্ৰবন্ধকে এক ইমেইল বাৰ্তাত লিখিছে, 'আমি ২৩ ফেব্ৰুৱাৰী ২০২৪ৰ ইমেইল অনুযায়ী ৮৩৫০ খন বণ্ডৰ ৪টা বক্স পেকেট লাভ কৰিছো। মহামান্য সৰ্বোচ্চ আদালতে দিয়া নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত ১২ জানুৱাৰী ২০২৪ৰ এক পত্ৰযোগে দিয়া অৰ্ডাৰ অনুযায়ী বাকী থকা ১৬৫০খন বণ্ড ছপা নকৰিবলৈ আপোনাক অনুৰোধ জনালো।' উল্লেখ্য যে আৰটিআই কৰ্মী লোকেশ বাত্ৰাৰ আৰটিআই আবেদনৰ ভিত্তিত নিৰ্বাচনী হুণ্ডিক লৈ এই বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। এছবিআইয়ে জনোৱা মতে ২০১৮ চনত সৰ্বাধিক ৬ লাখ ৪ হাজাৰ ২৫০ খন বণ্ড ছপা কৰা হৈছিল। ইয়াৰ অধিকাংশই আছিল এহেজাৰ আৰু ১০ হাজাৰ টকা মূল্যৰ। উক্ত বৰ্ষত ১ কোটি টকীয়া বণ্ড কমকৈ ছপোৱা হৈছিল। ২০১৯ চনত ৬০ হাজাৰ বণ্ড ছপোৱা হৈছিল আৰু ইয়াৰে সৰহসংখ্যাক বণ্ডেই আছিল ১ লাখ টকীয়া। ২০২২ চনত ১০ হাজাৰ বণ্ড ছপোৱা হৈছিল আৰু আটাইবোৰ আছিল ১ কোটি টকীয়া বণ্ড। ২০২০, ২০২১ আৰু ২০২৩ বৰ্ষত এখনো বণ্ড ছপা কৰা হোৱা নাছিল। সৰ্বাধিক বণ্ড বিক্ৰী হৈছিল এছবিআইৰ মুম্বাই শাখাৰ জৰিয়তে। সৰ্বোচ্চ ন্যায়ালয়ে ৰায়দান সংৰক্ষিত ৰখাৰ পিছতো এনেদৰে বণ্ড ছপা কৰা কাৰ্যই ৰায়দান বণ্ডৰ সপক্ষে যাব বুলি চৰকাৰ যে একপ্ৰকাৰ নিশ্চিত হৈ আছিল সেয়া স্পষ্ট হৈ পৰিছে বুলি মন্তব্য কৰিছে বিশেষজ্ঞসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ সভালৈ নগ'লে

সমষ্টিত খেলিব সেই লৈ শাসনাধিষ্ঠিত বিজেপিয়ে নিৰ্বাচন ঘোষণা কৰাৰ কেইমাহমান আগৰে পৰা ব্যস্ত হৈ পৰিছিল। শেষ মুহূৰ্তত গৌৰৱ গগৈক কংগ্ৰেছে যোৰহাটৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰাৰ পিছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰভাৱশালী মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত বিজেপিৰ এটা শক্তিশালী দলে বাহৰ পাতিছে সমষ্টিটোত। যোৰহাটত যিকোনো প্ৰকাৰে গৌৰৱ গগৈক পৰাস্ত কৰি বৰ্তমানৰ সাংসদ তপন গগৈৰ জয় নিশ্চিত কৰিবলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই শাসকীয় দলটোৱে। ইয়াৰ বাবে হাতত ল'ব পৰা যিমান পন্থা আছে সেই সকলো পন্থাৰ কোনো এটাই বাদ দিবলৈ মুঠেই ইচ্ছুক নহয় হিমন্ত-পীযুষ বাহিনী। ৰাজনৈতিক অংকৰ লগতে শাসকীয় দলটোৱে এতিয়া সমষ্টিটোৰ সাধাৰণ ভোটাৰ ৰাইজকো ভয়-ভাবুকি আৰু ব্লেকমেইলিং কৰাৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুযায়ী সমষ্টিটোৰ বিজেপিৰ প্ৰাৰ্থী তপন গগৈৰ মনোনয়ন পত্ৰ দাখিলৰ দিনটোত যাতে সমদলত ভিৰ গৌৰৱৰ গগৈতকৈয়ো অধিক হয় তাৰ বাবে বিজেপিৰ স্থানীয় নেতা-কৰ্মীৰ জৰিয়তে শিৱসাগৰ নগৰৰ আশে-পাশে থকা বহু গাঁৱৰ মহিলাসকলক সমদলত নগ'লে বিনামূলীয়াকৈ পাই থকা চাউল নাপাব বুলি এক গুজৱ উলিয়াই দিছিল। একেদৰে বেতবাৰী অঞ্চলৰ নাম প্ৰকাশত অনিচ্ছুক এগৰাকী স্থানীয় কংগ্ৰেছ নেতাই অভিযোগ কৰা মতে তেওঁৰ গাঁওখনৰ মহিলাসকলক স্থানীয় ৰেচনৰ দোকানীয়ে গৌৰৱ গগৈৰ সভালৈ যোৱা দেখিলেই অৰুণোদয়ৰ ধন পোৱাতো বন্ধ হোৱাৰ লগতে বিনামূলীয়া চাউলো নাপাব বুলি ভয়-ভাবুকিৰে বিজেপিৰ সভালৈ যাবলৈ বাধ্য কৰাইছে। 'কণ্ট্ৰ'লৰ দোকানীয়ে আমাক কৈছে বোলে গৌৰৱ গগৈৰ মিটিঙত গ'লে আমাক বোলে কিবা চাউল নিদিব, আৰু বোলে ভিডিঅ' ৰেকৰ্ডিং কৰি থৈছে আৰু আমাক তাতে দেখিব। কিবা বোলে ডাঙৰ শাস্তি দিব। সেয়ে আমিনো আৰু কি কৰিম। যাবলৈ মন থাকিলেও নাই যোৱা। অ' ছাৰ আমাৰ ভিডিঅ'টো দি নিদিব আকৌ নিউজত। নহ'লে আমি নিগমে মৰিব লাগিব আৰু।'-নিউজ নেক্সট ওৱানৰ ই-সংবাদৰ প্ৰতিনিধিৰ আগত এইদৰে কয় নাম প্ৰকাশত অনিচ্ছুক শিৱসাগৰৰ বেতবাৰী অঞ্চলৰ এগৰাকী মহিলাই। ইফালে, যোৰহাট জিলাৰ কেবাখনো গাঁৱতো মহিলাসকলক লক্ষ্য কৰি লৈছে বিজেপিয়ে। গাঁৱলীয়া মহিলাসকলক কংগ্ৰেছৰ সভা-সমিতিলৈ নাযাবলৈ বিভিন্ন প্ৰকাৰে ভয়-ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় কংগ্ৰেছ নেতাসকলৰ মতে বিজেপিয়ে গৌৰৱ গগৈক হৰুৱালৈকে এনে কৌশলৰ আশ্ৰয় লৈছে যদিও সেয়া সফল নহ'ব। এনেদৰেই এতিয়া যোৰহাট লোকসভা সমষ্টিত ছলে-বলে-কৌশলে কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈক পৰাস্ত কৰিবলৈ ৰাজনৈতিক কৌশলৰ ১০১টা কৌশলৰ সকলো কৌশল প্ৰয়োগ কৰিবলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই হিমন্ত-পীযুষ বাহিনীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে মানহানি

**ই-সংবাদ, ৩০ মাৰ্চঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে মানহানি গোচৰ তৰিব অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই৷ আজি এই কথা স্পষ্ট কৰিছে ভূপেন বৰাই৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে ভূপেন বৰাই বিজেপিত যোগদান কৰিব বুলি দাবী কৰি আহিছে৷ আনহে নালাগে ভূপেন বৰাই ২০২৫ চনত বিজেপিত যোগদান কৰিব আৰু বৰাৰ বাবে দুটা সমষ্টি ঠিক কৰি ৰখা বুলি দাবী কৰিছিল৷ এই কথা কেইবাবাৰো উল্লেখ কৰিছে হিমন্ত বিশ্ব শৰ্মাই৷ তাৰ পাছতে ভূপেন বৰাক সাংবাদিকে প্ৰশ্নৰ অৱতাৰণা কৰি আহিছিল৷ অৱশেষত মুখ্যমন্ত্ৰীৰ মন্তব্যৰ বিৰুদ্ধে মানহানি গোচৰ তৰাৰ সিদ্ধান্ত লয় ভূপেন বৰাই৷ ভূপেন বৰাই তেওঁৰ অধিবক্তাসকলে কাগজ-পত্ৰ আৰু নথি প্ৰস্তুত কৰি আছে বুলি উল্লেখ কৰিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দাবীক প্ৰত্যাহ্বান জনাই এই সিদ্ধান্ত লৈছে ভূপেন বৰাই৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তীব্ৰবেগী বাহনৰ খুন্দাত

**ই-সংবাদ, গোৱালপাৰা, ৩০ মাৰ্চঃ** আজিও ৰাজপথত তীব্ৰবেগী বাহনৰ অতপালি অব্যাহত আছে৷ বাহনৰ অতপালি ৰোধ কৰিবলৈ সক্ষম নোহোৱাত অসম আৰক্ষীৰ লোকো সুৰক্ষিত নহয় ৰাজপথত৷ যাৰ ফলস্বৰূপে আজি পুৱাই তীব্ৰ বেগী বাহনৰ খুন্দাত এগৰাকী অসম আৰক্ষীৰ কমাণ্ডোৱে প্ৰাণ হেৰুৱাবলগীয়া হৈছে৷ এই কাণ্ড সংঘটিত হৈছে গোৱালপাৰা জিলাৰ ধূপধৰাৰ দেওশীলাত৷ অচিনাক্ত বাহনে মহতিয়াই নিয়াত অসম আৰক্ষীৰ কমাণ্ডোৰ অকাল বিয়োগত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে ধূপধৰাত৷ কমাণ্ডোজন ধ্ৰুৱজ্যোতি ৰাভা বুলি জানিব পৰা গৈছে৷ ধ্ৰুৱজ্যোতি ৰাভাৰ সৈতে থকা পৰাগ ৰাভা নামৰ যুৱকজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে৷ দুয়োগৰাকী যুৱকৰ ঘৰ গোৱালপাৰাজিলাৰ কুহিয়াৰবাৰীৰ চৌকাবড়ীত বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, অসম আৰক্ষীৰ নতুন ভৰ্তি হোৱা গোৱালপাৰা জিলাৰ কুঁহিয়াৰবাৰীৰ চৌকাবড়ীৰ কমাণ্ডো জোৱান ধ্ৰুৱজ্যোতি ৰাভাই বুধবাৰে ছুটি লৈ ঘৰলৈ আহিছিল। আজি পুৱাই ধ্ৰুৱজ্যোতি ৰাভাই পৰাগ ৰাভাৰ সৈতে ১৭নং ৰাষ্ট্ৰীয় পথত এখন স্কুটী লৈ ওলাই আহিছিল৷ তেনে সময়তে ধূপধৰাৰ দেওশিলাত পিছফালৰ পৰা কোনো অচিনাক্ত বাহনে মহতিয়াই থৈ যায় স্কুটীখন৷ স্কুটীখনত থকা কমাণ্ডো জোৱান ধ্ৰুৱজ্যোতি ৰাভা থিতাতে নিহয় হয়৷ আনহাতে, পৰাগ ৰাভা গুৰুতৰভাৱে আহত হোৱাত ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে৷ ধূপধৰা আৰক্ষী থানা এলেকাৰ দেওশীলাত এই দুৰ্ঘটনা সংঘটিত হৈছে৷ ধূপধৰা আৰক্ষীয়ে অচিনাক্ত বাহনখন উদ্ধাৰৰ বাবে অভিযান আৰম্ভ কৰিছে যদিও বাতৰি লিখা পৰলৈকে বাহনখন উদ্ধাৰ কৰিব পৰা নাই৷ আৰক্ষীয়ে ধ্ৰুৱজ্যোতি ৰাভাৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে৷ ইপিনে ঘটনাই গোৱালপাৰা জিলাৰ কুঁহিয়াৰবাৰীত শোকৰ ছাঁ পেলাইছে৷ অতি কম বয়সীয়া ক্ৰীড়াক্ষেত্ৰত আগৰণুৱা যুৱক ধ্ৰুৱজ্যোতি ৰাভাক হেৰুৱাই মৰ্মাহত হৈ পৰিছে অঞ্চলবাসী৷ সাধাৰণ পৰিয়ালৰ যুৱক ধ্ৰুৱজ্যোতিয়ে চাকৰি পোৱাৰ পাছতে ঘৰখনৰ অৱস্থা ভাল হ'ব বুলি স্থানীয় ৰাইজে আশা কৰিছিল যদিও, সেই সপোন পূৰণ নৌহওঁতেই এই পৃথিৱী এৰি গ'ল আৰক্ষীত কৰ্মৰত ধ্ৰুৱজ্যোতিয়ে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুই নাৰীয়ে ভগালে

কল্পনা চোৰেণ৷ হেমন্ত চোৰেণৰ পত্নী কল্পনা চোৰেণ দিল্লীত উপস্থিত হৈয়ে অৰবিন্দ কেজৰিৱালক সাক্ষাৎ কৰে৷ ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা তথা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ পত্নী কল্পনা চোৰেণে শনিবাৰে অৰবিন্দ কেজৰিৱালৰ পত্নী সুনীতা কেজৰিৱালক সাক্ষাৎ কৰে আৰু দুয়ো মহিলাই আলিংগন কৰি দুখ প্ৰশমনৰ চেষ্টা কৰে৷ কল্পনা চোৰেণে কয় যে আমি দুয়োজনে একেলগে এই যুঁজখন যুঁজিম। দুমাহ পূৰ্বে ঝাৰখণ্ডত যি পৰিস্থিতি আছিল, সেই পৰিস্থিতি এতিয়া দিল্লীত ঘটিছে। দুৰ্নীতি সম্পৰ্কীয় এটা গোচৰৰ বাবে হেমন্তচোৰেণও বৰ্তমান কাৰাগাৰত আছে। কল্পনা চোৰেণে কয় যে মই সুনীতা কেজৰিৱালক লগ ধৰিব আহিছো৷ তেওঁৰ বেদনা আৰু বেদনাৰ সমভাগী হৈছো। আমি একেলগে সংকল্প লৈছো যে আমি এই যুঁজখন বহুদূৰলৈ লৈ যাব লাগিব। সমগ্ৰ ঝাৰখণ্ড অৰবিন্দ কেজৰিৱালৰ সৈতে আছে৷ আনহাতে, কল্পনা চোৰেণে কয় যে আজি কংগ্ৰেছ সংসদীয় দলৰ মুৰব্বী ছোনিয়া গান্ধীকো লগ ধৰি ঝাৰখণ্ডৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিম। তেওঁ কাইলৈ দিল্লীৰ ৰামলীলা ময়দানৰ ইণ্ডিয়া ৰেলীত যোগদানৰ কথা কৈছে। ছোনীয়া জীয়ে সকলোকে এই সমদললৈ আহিবলৈ আহ্বান জনাইছে। দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক কেজৰিৱালকগ্ৰেপ্তাৰ কৰাৰ পিছৰে পৰা বিৰোধী দলৰ নেতাসকলে প্ৰতি নিৰন্তৰ সমৰ্থন ব্যক্ত কৰি আহিছে। কেজৰিৱালক ২১ মাৰ্চত ইডিয়ে দিল্লীৰ আবকাৰী নীতিৰ সৈতে জড়িত এক ধন ৰপ্তানিৰ গোচৰত গ্ৰেপ্তাৰ কৰিছিল। ইডিয়ে ৩১ জানুৱাৰীত ভূমি জালিয়াতিৰ সৈতে সম্পৰ্কিত ধন ৰপ্তানিৰ গোচৰত চোৰেণক গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য যে দেশৰ দুগৰাকী মুখ্যমন্ত্ৰী এতিয়া কাৰাগাৰত বন্দী হৈ আছে আৰু সেই সময়তে মুখ্যমন্ত্ৰী দুগৰাকীৰ পত্নীয়ে এতিয়া এনেদৰে একেলগে নিজৰ দুখ ভগাই লোৱা দৃশ্যই সকলোকে ভাবুক কৰি তোলা দেখা গৈছে। গুৰুত্বপূৰ্ণ কথা এয়ে যে কেজৰিৱালৰ পত্নী সুনীতায়ো স্বামীৰ গ্ৰেপ্তাৰৰ পিছত এখোজ-দুখোজকৈ ৰাজনীতিৰ পথাৰত জড়িত হৈ পৰিছে আৰু কল্পনায়ো একেই পথত ভৰি থৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিব্ৰুগড়ত গ্ৰাহকক ঠগালে

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ মাৰ্চঃ** ডিব্ৰুগড়ৰ জে.বি ডিলাৰত গাড়ী কিনোতে সাৱধান হ'বা কিয়নো আপুনি তেজক পানী কৰি জমা কৰা টকা কেইটাৰেকিনা গাড়ীখন পুৰণিও হ'ব পাৰে৷ কিয়নো ডিব্ৰুগড়ৰ জে.বি ডিলাৰৰ বিৰুদ্ধে পুৰণি গাড়ী নতুন বুলি বিক্ৰী কৰাৰ অভিযোগ উঠিছে৷ ধেমাজিৰ সৰোজনী বুঢ়াগোহাঁই নামৰ মহিলাই এই অভিযোগ উত্থাপন কৰিছে৷ সৰোজনী বুঢ়াগোহাঁয়ে অলপ অলপ কৈ জমা কৰা টকা কেইটাৰে Maruti Suzuki S-Presso নামৰ সপোনৰ গাড়ীখন কিছুদিন পূৰ্বে ডিব্ৰুগড়ৰ জে.বি ডিলাৰৰ পৰা কিনি নিছিলা কিন্তু জে.বি ডিলাৰে সৰোজনী বুঢ়াগোহাঁইক আনৰ নামত থকা এখন পুৰণি গাড়ী বিক্ৰী কৰে৷ জে.বি ডিলাৰে পূৰ্বে চাৰিটা চাৰ্ভিছিং হৈ থকা এখন গাড়ী দিছিল সৰোজনীকা চাৰ্ভিছিঙৰ বাবে যোৱাত এই কথা পোহৰলৈ আহে৷ গাড়ীখন শৰ্মা উপাধিৰ লোকৰ নামতহে থকা বুলি অৱগত হয়৷ প্ৰথম চাৰ্ভিছিঙৰ বাবে লখিমপুৰৰ আন এটা ডিলাৰলৈ যোৱাত গোমৰ ফাক ওলাই পৰে৷ বুকিং প্ৰচেছ সম্পন্ন কৰি ডিলাৰটোৰ পৰা Maruti Suzuki S-Presso গাড়ীখন কিনিছিল সৰোজনীয়ে৷ কিন্তু ইতিমধ্যেই গাড়ীখনৰ চাৰিটা ছাৰ্ভিচিং সম্পন্ন হৈ আছে৷ ডিব্ৰুগড়ৰ আমোলাপট্টিত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ সৰুজনী বুঢ়াগোহাঁয়ে তেওঁক পুৰণি গাড়ী বিক্ৰী কৰা বুলি অভিযোগ অনাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ বাতৰি সংগ্ৰহৰ বাবে যোৱা সাংবাদিক, সৰুজনী বুঢ়াগোহাঁই আৰু কেইবাগৰাকী মহিলাক ডিলাৰৰ কৰ্মচাৰীয়ে দুৰ্ব্যৱহাৰ কৰে। তথাপিও আনৰ নামত থকা গাড়ী বিক্ৰী কৰাৰ কথা মানি লোৱা নাছিল ডিলাৰটোৱে৷ উল্লেখ্য যে, ছাৰ্ভিচিংৰ বাবে লখিমপুৰৰ এটা ডিলাৰলৈ নিয়াতহে ওলাই পৰে উৰহিৰ ওৰ। সৰুজনী বুঢ়াগোহাঁইয়ে ক্ৰয় কৰা বাহনখনৰ চেছিছনম্বৰ প্ৰত্যক্ষ কৰি লখিমপুৰৰ ডিলাৰৰ স্বত্বাধিকাৰী আঁচৰিত হয়৷ লখিমপুৰৰ ডিলাৰ কৰ্তৃপক্ষই লিখিতভাৱে জনাই যে সৰুজনী বুঢ়াগোহাঁইয়ে ক্ৰয় কৰা গাড়ীখন ললিত শৰ্মা নামৰ এজন লোকৰ নামত আছে৷ ইতিমধ্যে চাৰিটা চাৰ্ভিছিং কৰা হৈছে। বাহনখনে পাবলগীয়া বিনামূলীয়া চাৰ্ভিছিং কাহানিবাই সম্পূৰ্ণ হৈছে। ইয়াৰ পিছতে আজি ডিব্ৰুগড় আমোলাপট্টিস্থিত জে বি ডিলাৰত উপস্থিত হয় সৰোজনী৷ উক্ত বিষয়টো ডিলাৰ কৰ্তৃপক্ষক লিখিতভাৱে অৱগত কৰে। কিন্তু ডিলাৰ কৰ্তৃপক্ষই মহিলাগৰাকীক অভব্য আচৰণ কৰে আৰু আক্ৰমণ কৰিবলৈ উদ্যত হয়৷ জে.বি ডিলাৰ কৰ্তৃপক্ষই অভিযোগ খণ্ডন কৰিব নোৱাৰিলে৷ ফলত ঘটনাক লৈ জে বি ডিলাৰত এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। ঘটনাস্থলীত আমোলাপট্টি আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনা সন্দৰ্ভত গ্ৰাহক সেৱা আদালতত অভিযোগ দাখিল কৰাৰ লগতে আমোলাপট্টি আৰক্ষী চকীত এজাহাৰ দাখিল কৰে সৰোজনীয়ে। ডিলাৰৰ দায়িত্বত থকা কৰ্ণভ লস্কৰ নামৰ লোকজনক আৰক্ষীয়ে আটক কৰে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ ভৱনত 'কৰ সন্ত্ৰাস'ৰ

**ই-সংবাদ, ৩০ মাৰ্চঃ** গণতন্ত্ৰক ধ্বংস কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা বিজেপিক প্ৰতিহত কৰাৰ স্বাৰ্থতে আজি সমগ্ৰ দেশৰ লগতে গুৱাহাটীৰ ৰাজীৱ ভৱনতো 'কৰ সন্ত্ৰাস'ৰ বিৰুদ্ধে এক প্ৰতিবাদী অৱস্থান ধৰ্মঘট পালন কৰা হয়। নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছত আয়কৰ বিভাগে নিখিল ভাৰত কংগ্ৰেছৰ বেংক একাউণ্ট 'ফ্ৰিজড' কৰাৰ লগতে অতিৰিক্ত ১৮৭০ কোটি টকাৰ কৰ জৰিমনা জাঁপি দিয়া কাৰ্যক আজি ৰাজীৱ ভৱনত তীব্ৰ বিৰোধিতা কৰা হয়। কংগ্ৰেছ নেতা-কৰ্মীসকলে ৰাজীৱ ভৱনত আজি বিজেপিৰ স্বৈৰাচাৰী নীতিৰ বিৰুদ্ধে ধৰ্ণা কাৰ্যসূচী পালন কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপুল গগৈয়ে আঁত ধৰা প্ৰতিবাদী সভাখনত কংগ্ৰেছৰ গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে বিজেপি দল আৰু চৰকাৰে ভাৰতীয় সংবিধান ধ্বংস কৰাৰ ষড়যন্ত্ৰত লিপ্ত হোৱাৰ লগতে গণতন্ত্ৰক কবৰ দিবলৈ প্ৰস্তুতি চলাইছে বুলি আক্ষেপ কৰি কয় যে এই একনায়কত্ববাদী দল আৰু চৰকাৰক এইবাৰ নিৰ্বাচনত সমুচিত প্ৰত্যুত্তৰ দি প্ৰতিহত কৰিব লাগিব। নিখিল ভাৰত কংগ্ৰেছৰ অসমৰ তত্বাৱধায়ক পৃথ্বিৰাজ সাথেই নিজৰ ভাষণত কংগ্ৰেছ কৰ্মীসকলক গণতন্ত্ৰ সুৰক্ষিত কৰাৰ যুঁজত অধিক আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। কংগ্ৰেছ নেতা সাথেই কয় যেবিজেপি দলে ইডি, চিবিআই আৰু আয়কৰ বিভাগৰ ভাবুকিৰে ইলেক্ট'ৰেল বণ্ডৰযোগেদি হাজাৰ হাজাৰ কোটি টকা নিজৰ বেংক একাউণ্টত সুমুৱাই এতিয়া বাকী দলৰ বেংক একাউণ্ট ফ্ৰিজড কৰাৰ লগতে অযথা জৰিমনা আৰোপ কৰিছে। বিজেপিৰ ক্ষেত্ৰত আয়কৰ বিভাগে কিয় জৰিমনা আৰোপ কৰা নাই বুলিও প্ৰশ্ন কৰে। কংগ্ৰেছ নেতা গোপাল শৰ্মা, ৰাতুল কলিতা, বেদব্ৰত বৰা প্ৰমুখ্যে কেবাজনেও প্ৰতিবাদী সভাত বক্তব্য প্ৰদান কৰে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা বলীন কুলী, গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছ কমিটিৰ সভাপতি নৱ তালুকদাৰ, উপ-সভাপতি গুণ গগৈ, বালিকা পেগু প্ৰমুখ্যে বহু কেইগৰাকী জ্যেষ্ঠ কংগ্ৰেছ নেতাই আজি ৰাজীৱ ভৱনত বিজেপি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মানস বৰা, কিশোৰ ভট্টই

কৰিছে। ফলত কংগ্ৰেছময় হৈ পৰিছে অসম বিজেপি। অসম ৰাজ্যিক বিজেপিত এতিয়া কংগ্ৰেছ নেতাৰ ভিৰ বাঢ়িছে। বিজেপিত যোগদান কৰা প্ৰাক্তন কংগ্ৰেছী নেতাসকলে বিজেপি চৰকাৰত বিভিন্ন পদবী কাৰ্যনিৰ্বাহ কৰিছে। চৰকাৰখনৰ শীৰ্ষ পদবী, মন্ত্ৰী, বিধায়ককে ধৰি বিভিন্ন পদবীত প্ৰাক্তন কংগ্ৰেছীক দেখা যায়। যাৰ ফলত বহু পুৰণি বিজেপি নেতা এতিয়া ৰাজনীতিৰ পথাৰত নিষ্ক্ৰিয় হৈ পৰিছে। এইবাৰ আন তিনিগৰাকী কংগ্ৰেছ নেতাই বিজেপিত যোগদান কৰে। কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী অকণ বৰাৰ পুত্ৰ মানস বৰা, শৰৎ বৰকটকীৰ পুত্ৰ অনুজ বৰকটকীয়ে আজি বিজেপিত যোগদান কৰে। অনুজ বৰকটকী চৰাইদেউ কংগ্ৰেছৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰি আছিল। কোনো কাৰণ তথা অজুহাত অবিহনে হঠাতে কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰি সকলোকে আঁচৰিত কৰিছে প্ৰাক্তন মন্ত্ৰী অকণ বৰাৰ পুত্ৰ মানস বৰাই। মানস বৰাই দল ত্যাগৰ ঘোষণা কৰি সকলোকে আঁচৰিত কৰিছে। হঠাতে মানস বৰাৰ দৰে নিষ্ঠাবান কংগ্ৰেছীয়ে দল ত্যাগৰ কথা সপোনতো হয়তো ভবা নাছিল প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতাসকলে। মানসৰ দলত্যাগৰ ঘোষণাই দলটোৰ ভিতৰচৰাক জোকাৰি গৈছে। নিষ্ঠাবান একাংশ কৰ্মী ভাগি পৰিছে। নিৰ্বাচনৰ ব্যাপক প্ৰচাৰ অব্যাহত থকাৰ সময়তে এনেদৰে দলক কুঠৰাঘাট কৰা কাৰ্যক সহজে ল’ব পৰা নাই দলৰ নিষ্ঠাবান কৰ্মীসকলে। আনহাতে, প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা কিশোৰ ভট্টচাৰ্য্যই কংগ্ৰেছৰ ত্যাগ কৰাৰ ঘোষণা কৰিছে। কিশোৰ ভট্টাচাৰ্য আছিল প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ। অল ইণ্ডিয়া প্ৰফেচনেল কংগ্ৰেছৰ অসম প্ৰদেশৰ সভাপতি তথা অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ গৌৰৱ চমানীয়ে কংগ্ৰেছ ত্যাগ কৰাৰ ঘোষণা কৰিছে। গৌৰৱ চমানীয়ে কংগ্ৰেছ দলৰ সকলো পদৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰিছে। কিশোৰ ভট্টাচাৰ্য্য আৰু গৌৰৱ চমানীয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিব। ভাৰতীয় জনতা পাৰ্টীয়ে আটাইকেইজন নেতাক আদৰণি জনাবলৈ সাজু হৈছে। জানিব পৰা মতে, মানস বৰাই গুৱাহাটী সংসদীয় সমষ্টিত দলীয় টিকট দাবী কৰিছিল। কিন্তু মানস বৰাৰ আবেদনক গুৰুত্ব প্ৰদান নকৰিলে। যাৰ বাবে মানস বৰা ভিতৰি ভিতৰি নাৰাজ হৈ আছিল। সুযোগ বুজি নিৰ্বাচনৰ তীব্ৰ ব্যস্ততাৰ মাজতে মানস বৰাই কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰাৰ সিদ্ধান্ত লয়। কিয়নো মানস বৰা আছিল গৌৰৱ গগৈৰ অতি ঘনিষ্ঠ। গৌৰৱ গগৈয়ে এইবাৰ উজনিৰ যোৰহাট সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে। গৌৰৱ গগৈক চৌদিশৰ পৰা বিজেপিৰ প্ৰতিগৰাকী নেতাই আক্ৰমণআৰম্ভ কৰিছে। গৌৰৱ গগৈয়ে বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ সন্মুখত প্ৰত্যাহ্বান থিয় কৰাইছে। গৌৰৱ গগৈক পৰাজিত কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকৈ ধৰি বিজেপিৰ মন্ত্ৰী-বিধায়কে যোৰহাটত উবুৰি খাই পৰিছে। তাৰ মাজতে গৌৰৱ গগৈৰ অতি ঘনিষ্ঠ মানস বৰাক গৌৰৱৰ কাষৰ পৰা আতৰাই আনিবলৈ সক্ষম হৈছে বিজেপি দল। মানস বৰাই ইতিমধ্যে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেক পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। ২৬ চনৰ নিৰ্বাচনত মানস বৰাই বিজেপিৰ পৰা দিছপুৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি খবৰ প্ৰকাশ পাইছে। উল্লেখ্য যে, বিজেপিৰ সকলো শীৰ্ষ নেতাই যোৰহাটত একপ্ৰকাৰ বাহৰ পাতিছে। গৌৰৱ গগৈক শলঠেকত পেলাবলৈ বিজেপিয়ে সকলো প্ৰকাৰে প্ৰয়াস কৰি গৈছে। আজি গৌৰৱ গগৈৰ ঘনিষ্ঠ মানস বৰাই বিজেপি দলত যোগ কৰিছে। গৌৰৱ গগৈয়ে এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰি অসমত বিজেপি-কংগ্ৰেছৰ মাজত নিৰ্বাচন নহয়। নিৰ্বাচন হ’ব কংগ্ৰেছৰ ‘এ’ টিম আৰু কংগ্ৰেছ ‘বি’ টিমৰ মাজত হ’ব বুলি কয় গগৈয়ে। পিতৃৰ সমষ্টি তিতাবৰত সাংবাদিকৰ সন্মুখত এই মন্তব্য গগৈৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইণ্ডিয়া মিত্ৰজোঁটে আজি

বিৰোধীৰ মহাৰেলী। নিৰ্বাচনক লৈ দেশৰ পৰিস্থিতি উত্তপ্ত হৈ থকাৰ সময়তে দেশৰ সমূহ বিৰোধীয়ে ৰামলীলা ময়দানত একত্ৰিত হ’ব। দেশৰ আটাইকেইটা বিৰোধী দলৰ মুখ্য নেতাসকলৰ উপস্থিতিত অনুষ্ঠিত হ’ব ঐতাহাসিক সমাৰেশ। বিৰোধী দলৰ নেতাৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে ইডি, চিবিআই লগাই দি নিৰ্বাচনৰ সময়ত হাৰাশাস্তি কৰি গণতন্ত্ৰ ধ্বংস কৰাৰ অভিযোগ উত্থাপন কৰি অনুষ্ঠিত হ’ব বিশাল সমাৰেশ। বিৰোধীৰ দুগৰাকী শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰীক গ্ৰেপ্তাৰ কৰিছে ইডি-এ। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু ঝাৰখাণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণক ইডিএ গ্ৰেপ্তাৰ কৰি কাৰাগাৰত বন্দী কৰিছে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু হেমন্ত চোৰেণক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত ইণ্ডিয়া ব্লকে বৃহৎ সমদল অনুষ্ঠিত কৰিছে। ২৬ টা দলৰ নেতা অন্তৰ্ভুক্ত আছে। লোকসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধীৰ প্ৰথম বৃহৎ সমদলৰ নেতৃত্বত আছে আপ নেতা গোপাল ৰায় আৰু দিলীপ পাণ্ডে। মিত্ৰজোঁটৰ নেতাসকলে গণতন্ত্ৰ বচাওক' ৰেলীত উপস্থিত থাকি কেন্দ্ৰীয় চৰকাৰে সংস্থাসমূহৰ বিৰুদ্ধে প্ৰতিবাদ জনাব। বিৰোধী নেতাসকলক লক্ষ্য কৰি লৈ নিৰ্বাচিত মুখ্যমন্ত্ৰীক কাৰাগাৰত ৰখাত এই মেগা ৰেলী অনুষ্ঠিত কৰা হৈছে। দিল্লী আৰক্ষীয়ে দেওবাৰে আম আদমী পাৰ্টিৰ দ্বাৰা আয়োজিত ইণ্ডিয়া ব্লক মেগা ৰেলীৰ বাবে ব্যাপক ব্যৱস্থা কৰিছে। ৰামলীলা ময়দানলৈ যোৱা সকলো গেটত দিল্লী আৰক্ষীৰ জোৱানসকলৰ সৈতে অৰ্ধসামৰিক বাহিনীৰ লোক মোতায়েন কৰা হৈছে। আৰক্ষীয়ে ড্ৰোনৰ জৰিয়তে সমগ্ৰ অঞ্চলটোৰ ওপৰত নজৰ ৰাখিব। দিল্লী আৰক্ষীয়ে কিছু চৰ্তৰ সৈতে সমদল অনুষ্ঠিত কৰিবলৈ অনুমতি দিছে। আয়োজকসকলক আৰক্ষীয়ে কোনো পদযাত্ৰা নকৰিবলৈ, কোনো ট্ৰেক্টৰ ট্ৰলী নানিবলৈ কৈছে। ৰামলীলা ময়দানৰ পৰা কোনো পদযাত্ৰাৰ অনুমতি দিয়া নহ'ব আৰু যদি উলংঘন কৰা হয় তেন্তে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখ্য যে, ইণ্ডিয়া মিত্ৰজোঁটৰ মাজত একাধিক সংঘাত চলি থাকিলেও দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালক গ্ৰেপ্তাৰ কৰাৰ পিছতেই এতিয়া একগোট হ’বলৈ বাধ্য হৈছে বিৰোধী।

# বিহু সমিতিক ধন দিব নোৱাৰি দুখ মুখ্যমন্ত্ৰীৰ

## নিৰ্বাচনৰ পিছতেই দিয়াৰ প্ৰতিশ্ৰুতি

**ই-সংবাদ, ৩০মাৰ্চঃ** নিৰ্বাচনী অধিসূচনা জাৰি হৈ আছে যদিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক বিশেষ আহ্বান জনাইছে নিৰ্বাচন আয়োগক। বিহু সমিতিক অনুদান দিয়াৰ অনুমতি বিচাৰি আহ্বান জনাইছে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। আজি এই কথা উল্লেখ কৰি বিহুৰ পূৰ্বে দিয়াৰ দৰে ধন দিব নোৱাৰাত দুখ প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে আজি কয় যে ১০ বছৰতকৈ অধিক পুৰণি বিহু সমিতিক চৰকাৰে দিয়া অনুদান দিবলৈ অনুমতি দিয়াৰ আহ্বান জনাইছো নিৰ্বাচন আয়োগক। বিহু সমিতিক দিয়া অনুদানত দিবলৈ আমাক যাতে অনুমতি দিয়ে। যদি আয়োগে অনুমতি নিদিয়ে তেন্তে নিৰ্বাচনৰ পিছত দিম। এইকেইদিন ধাৰ হৈ থাকিব। ৰাজ্য চৰকাৰে ১০ বছৰতকৈ অধিক পুৰণি বিহু সমিতিক ডেৰ লাখ টকাকৈ অনুদান প্ৰদান কৰি আহিছে। এইবেলিও প্ৰদান কৰাৰ কথা আছিল যদিও নিৰ্বাচনী অধিসূচনা জাৰি হোৱাত চৰকাৰে ধন মুকলি কৰিব নোৱাৰিলে। তাৰ মাজতে আজি মুখ্যমন্ত্ৰী বিহু সমিতিক ধন আদায় দিব নোৱাৰাত আক্ষেপ প্ৰকাশ কৰে।



বশিষ্ঠত বিজেপি, অগপ আৰু ইউপিপিএলৰ নেতাক মন্ত্ৰণা মুখ্যমন্ত্ৰীৰ

## দেওলগা শনিবাৰ

# ট্ৰাকৰ খুন্দাত থিতাতে নিহত একেটা পৰিয়ালৰ তিনি নাবালক

**ই-সংবাদ, বৰপেটা, ৩০ মাৰ্চঃ** দেওলগা শনিবাৰে ৰাজ্যত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হৈ কেইবাগৰাকী লোকে অকালতে প্ৰাণ হেৰুৱাই। বৰপেটাৰোডৰ জামতলত ভয়ংকৰ পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰ তিনিগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাই। একেটা পৰিয়ালৰ চাৰিগৰাকীকৈ লোকক তীব্ৰবেগী ট্ৰাকে মহতিয়াই নিয়াত পৰিয়ালটোৰ তিনি গৰাকী লোক থিতাতে নিহত হয়। নিহতসকল ছাহজাহান আলী, আছমা খাতুন আৰু জেছমিন পাৰবিন বুলি চিনাক্ত কৰা হৈছে। আনহাতে আহত এটা শিশুক সংকটজনক অৱস্থাত চিকিৎসালৈ প্ৰেৰণ কৰা হয়। বৰপেটা ৰোডৰ সাতভনী টুপৰ পৰিয়ালটোৱে স্কুটীত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকা অৱস্থাত এখন তীব্ৰবেগী ট্ৰাকে মহতিয়াই নিয়ে স্কুটীক। ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰে ট্ৰাকখন। থিতাতে নিহত তিনিগৰাকী লোকৰ ভিতৰত দুগৰাকী কিশোৰী আৰু এগৰাকী কিশোৰ বুলি জানিব পৰা গৈছে। বৰপেটাৰোডৰ পৰা সৰভোগ অভিমুখে গৈ থকা ট্ৰাকখনে দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰিছে যদিও আৰক্ষীয়ে জব্দ কৰিবলৈ অভিযান অব্যাহত ৰাখিছে। বৰপেটাৰোড আৰক্ষীয়ে তিনিগৰাকী লোকৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। বৰপেটাৰোডৰ জামতলৰ ভয়ংকৰ পথ দুৰ্ঘটনাই জোকাৰি গৈছে বৰপেটাৰোডক।

# মোৰাঝাৰত নিচাজাতীয় টেবলেটসহ দুজনক আটক

**ই-সংবাদ, মোৰাঝাৰ, ৩০মাৰ্চঃ** হোজাই মোৰাঝাৰত নিচাজাতীয় টেবলেটৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান চলায়। কালি সন্ধিয়া মোৰাঝাৰ থানাৰ পৰিদৰ্শক শশধৰ কলিতাৰ নেতৃত্বত চলোৱা এই অভিযানত ৬৪০০ টা নিচাজাতীয় টেবলেট জব্দ কৰিবলৈ সক্ষম হয় মোৰাঝাৰ আৰক্ষী। লগতে নিচাজাতীয় টেবলেটৰ ব্যৱসায়ৰ লগত জড়িত দুজনক আটক কৰে। আটক হোৱা যুৱক দুজন পশ্চিম চামৰালিৰ ফইজ উদ্দিন আৰু মেহবুব আলম। উল্লেখ্য যে টেবলেটখিনিৰ অনুমানিক বজাৰ মুল্য ৩২লাখ টকা হব বুলি আৰক্ষীয়ে ধাৰনা কৰিছে। আটক কৰা যুৱক দুজনক আজি শংকৰদেৱনগৰ আদালতত হাজিৰ কৰোৱা হৈছে।

# ৰঙাগড়া চাহ বাগিচাত অগ্নিকাণ্ড, জাহ গ'ল এটা বাসগৃহ

**ই-সংবাদ, খুমটাই, ৩০ মাৰ্চঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়া চাহ বাগিচাত আজি এক অগ্নিকাণ্ড ঘটনা বাগিছাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য, আজি পুৱা প্ৰায় ১০ বজাত ভাইটি বাক্তি নামৰ লোকজনৰ বাসগৃহত অগ্নিকাণ্ড সূত্ৰপাত হৈ বাসগৃহটো সম্পূৰ্ণ ৰূপ জাহ যায়। এই অগ্নিকাণ্ডৰ ফলত লোকজনৰ ঘৰৰ সকলো আচবাব, প্ৰয়োজনীয় নথি-পত্ৰ জুই লেলিহান শিখাই চাৰখাৰ কৰে। দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া লোকজনৰ এতিয়া পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে অন্য দিনাৰ দৰে তেওঁ কনমানি সন্তানক লগত লৈ দিন হাজিৰা কৰিবলৈ যোৱাৰ লগতে পত্নীও বাগিছাত কাম কৰিবলৈ যায়। কাম কৰি থকাৰ অৱস্থাত স্থানীয় লোকে তেওঁক অৱগত কৰাত তাৎক্ষণিকভাৱে বাসগৃহত উপস্থিত হয় যদিও জুইৰ লেলিহান শিখাই সম্পূৰ্ণ ৰূপে ঘৰটো ছাৰখাৰ কৰে। ইফালে কিহৰ পৰা জুই সূত্ৰপাত হ'ল জানিব পৰা নাই। ইফালে দৰিদ্ৰ পৰিয়ালটোৱে উপায়ন্ত হৈ সদাশয় ব্যক্তি, সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাৰ লগতে জিলা প্ৰশাসনৰ ওচৰত সহায় ভিক্ষা মাগিছে।

## দলীয় কৰ্মীৰে মুখ্যমন্ত্ৰীৰ ৰুদ্ধদ্বাৰ বৈঠক

# নিৰ্বাচনৰ পিছতেই বন্ধ হ'ব বহুবিবাহ! ওদালগুৰিত মুখ্যমন্ত্ৰীৰ ঘোষণা






**ই-সংবাদ, ওদালগুৰি, ৩০ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই প্ৰতিটো ৰাজনৈতিক দল তৎপৰ হৈ পৰিছে। আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এনডিএ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। দিনৰ ১১-৩০ বজাত ওদালগুৰিৰ সাপেখাইটিস্থিত বড়োলেণ্ড ডেভলপমেণ্ট ফাউণ্ডেচন কাৰ্যালয় চৌহদত অনুষ্ঠিত দলীয় জ্যেষ্ঠ কৰ্মী সভাত উপস্থিত থাকি দৰং-ওদালগুৰি লোকসভা সমষ্টি এলেকাৰ বিজেপি, অগপ আৰু ইউপিপিএলৰ দলীয় কৰ্মীসকলৰ সৈতে ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হয়। উক্ত বৈঠকত সাংবাদিকক প্ৰৱেশত বাধা আৰোপ কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "পুনৰবাৰ প্ৰধানমন্ত্ৰী পদত নৰেন্দ্ৰ মোদীক অধিষ্ঠিত কৰাৰ উদ্দেশ্যে বিজেপি-ইউপিপিএ-অগপ এই তিনিওটা দলৰ কৰ্মীক দিনে নিশাই কাম কৰাৰ আহ্বান জনাই আগন্তুক নিৰ্বাচনৰ শুভেচ্ছা জনালো। অহা ৪ এপ্ৰিলত মনোনয়ন দাখিল অনুষ্ঠানত মই উপস্থিত থাকিবলৈ পুনৰবাৰ ওদালগুৰিলৈ আহিম। দৰং-ওদালগুৰি লোকসভা সমষ্টিত প্ৰতিদ্বন্দী চিনাক্তকৰণত অসুবিধা হৈছে। গলপোষ্টত গলকীপাৰ নাই যিহেতু আমি কিমান গল দিব পাৰো সেইটো আমাৰকৰ্তৃত্ব। এইবাৰ পুনৰ সকলোৱে নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী হোৱাটো বিচাৰি সোঁতৰ সৃষ্টি কৰিছে। এই সোঁত হিমন্ত বিশ্বৰ নহয়, এই সোঁত প্ৰমোদ বড়োৰ নহয় বা এই সোঁত দিলীপ শইকীয়াৰ নহয়। এইবাৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দিলীপ শইকীয়াই তিনি লাখ ভোটৰ ব্যৱধানত জয়ী হ'ব। যোৱা বছৰ ডেৰ লাখ ভোটৰ ব্যৱধানত শইকীয়া জয়ী হৈছিল। এইবাৰ সমষ্টিটোত দুই লাখ নতুন ভোটাৰ অন্তৰ্ভুক্ত হৈছে। ইয়াৰ অধিকাংশ ভোট পৰম্পৰাগতভাৱে বিজেপি-ইউপিপিএলৰ। গতিকে সমষ্টিটোৰ বিভিন্ন এলেকাত আমি লীড লম।" মুখ্যমন্ত্ৰী গৰাকীয়ে আজি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত উত্তৰ-পূৰ্বাঞ্চলত এনডিয়ে প্ৰায় ২২ খনকৈ আসন লাভ কৰিব বুলি প্ৰকাশ কৰে। আনহাতে ধৰ্মীয় সংখ্যালঘুৰ ভোট সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় "সংখ্যালঘু ৰাইজে প্ৰথমবাৰৰ বাবে সুশাসনৰ সোৱাদ পাইছে। কোনো ধৰণৰ ভেদাভেদ নোহোৱাকৈ সকলো জনগোষ্ঠীৰ লোকে সহজভাৱে শান্তিৰে বসবাস কৰি আছে। সকলো দিশে সমউন্নয়ণ হৈছে। ইয়াৰ পাছত মই নাভাৱো যে মুছলমান সমাজে ইয়াতকৈ আৰু কিবা বিচাৰে। গতিকে এইবাৰ যদি আমাক ভোট নিদিয়ে, তেন্তে আমি ভাবিবলৈ বাধ্য হম যে আমি ক'ত ভুল কৰি আছো। কেৱল নিৰ্বাচনৰ সময়তেই নহয়, কোনো সময়তেই কোনোজাতি-জনগোষ্ঠীৰ বিৰুদ্ধে কথা কব নালাগে। কংগ্ৰেছে জাতিৰ মাজত ভাগ ভাগ কৰিয়েই ৰাজনীতি কৰিছে।" ইফালে এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমল সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে "মই আজিয়েই আজমলক সেউজ সংকেত দি দিছো যে তেওঁ বিয়া পাতক। কিন্তু লোকসভা নিৰ্বাচনৰ আগতেই বিয়া পাতক। কাৰণ লোকসভা নিৰ্বাচনৰ পাছতেই বহুবিবাহ বন্ধ হৈ যাব। নিৰ্বাচনৰ আগত ৰকি আৰু তেওঁ মিলি যি বিবাহ পাতে পাতি থাকক। ধুবুৰী সমষ্টিত আজমল জিকিলে তেওঁ দিল্লীত থাকিব আৰু অসমখনত উৎপাত কৰি নাথাকিলে শান্তিত থাকিব। ৰকিবুল জিকিলে গঁড়কেইটাই শান্তি পাব যিহেতু ইয়াত নাথাকি দিল্লীত থাকিব।" আনহাতে আগন্তুক দিনত ভূপেন বৰাও বিজেপিলৈ আহিব বুলি পুনৰবাৰ মন্তব্য কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। দৰং-ওদালগুৰি লোকসভা সমষ্টিত প্ৰথম স্থানত বিজেপিৰ দিলীপ শইকীয়া থাকিব। দ্বিতীয় বা তৃতীয় স্থানত কোন থাকিব সেয়া বিজেপিৰ লক্ষ্য নহয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমত এনডিএয়ে ১৩ খন আসনলৈ আগবাঢ়ি যোৱা বুলিও মন্তব্য কৰে। আজিৰ এই সভাখনত মুখ্য মন্ত্ৰীৰ সৈতে মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, উপমূখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিধায়ক দিগন্ত কলিতা, বিধায়ক পৰমানন্দ ৰাজবংশী, বিধায়ক জলেন্দ্ৰ দৈমাৰী, অগপ নেতা কমলা কলিতা, বি টি আৰৰ কেবাগৰাকীও কাৰ্যবাহী সদস্য,পাৰিষদৰ উপৰি তামোলপুৰ আৰু ওদালগুৰি জিলাৰ বিজেপি, এজিপি আৰু ইউপিপিএলৰ প্ৰায় ৪০০ জ্যেষ্ঠ কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

## শিলচৰৰ উত্তৰ কৃষ্ণপুৰত চাঞ্চল্য

# দুই সন্তানৰ মাতৃক লাঠিৰে কোবাই হত্যা স্বামীৰ

**ই-সংবাদ, ৩০মাৰ্চঃ** গৃহ কন্দলৰ ভয়াৱহ পৰিণতি দেখা গৈছে বৰাক উপত্যকাত। স্বামীয়ে পত্নীক লাঠিৰে কোবাই হত্যা কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে শিলচৰৰ উত্তৰ কৃষ্ণপুৰত। শিলচৰৰ উত্তৰ কৃষ্ণপুৰৰ আফজালুৰ ৰহমানে সংঘটিত কৰিছে নৃশংস হত্যাকাণ্ড। পত্নী কোহিনুৰ বেগমক নিৰ্মমভাবে হত্যা কৰে আফজালুৰ ৰহমানে। শুকুৰবাৰে নিশা প্ৰায় ১০:৩০ বজাত এই ঘটনা সংঘটিত হৈছে। জানিব পৰা মতে, ধুবুৰী জিলাৰ বাসিন্দা দুই সন্তানৰ পিতৃ আফজালুৰ ৰহমানে পত্নীৰ সৈতে উত্তৰ কৃষ্ণপুৰত ভাৰাতীয়া হিচাপে থাকে। ভাৰা ঘৰতে আফজালুৰ ৰহমানে কেইবাদিনো ধৰি স্ত্ৰীৰ সৈতে কোনে কথাক লৈ সংঘাতত লিপ্ত হৈছিল। শিলচৰ পলিটেকনিকৰ প্ৰশিক্ষক আফজালুৰ ৰহমানে শুকুৰবাৰে নিশা তাৰাৱীৰ নামাজ পঢ়ি ঘৰলৈ উভতি আহে। তাৰ পাছতে পত্নীৰ সৈতে কাজিয়াত লিপ্ত হয়। খঙত অগ্নিশৰ্মা হৈ পত্নী কোহিনুৰ বেগমক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। পত্নী কোহিনুৰ বেগমক লাঠিৰে আক্ৰমণ কৰাত গুৰুতৰভাৱে আহত হয়। চুবুৰীয়া আৰু আৰক্ষীয়ে মহিলাগৰাকীক চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। জৰুৰী চিকিৎসাৰ অন্তত আইচিইউত ৰখা হৈছিল যদিও চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। এই ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ পাছতে আফজালুৰে পলায়ন কৰে।

# মৰিগাঁৱত নকল সোণৰ নাওসহ তিনিজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, মৈৰাবাৰী, ৩০মাৰ্চঃ** আজিও ৰাজ্যত অব্যাহত আছে নকল সোণৰ ব্যৱসায়। এটা বৃহৎ চক্ৰই নকল সোণ যোগানৰ নামত প্ৰৱঞ্চনা কৰি ধন ঘটি আহিছে। তাৰ মাজতে আজি মৰিগাঁও সদৰ আৰক্ষীৰ ৰাইডাৰ বাহিনীৰ সহযোগত জালুগুটি আৰক্ষীয়ে নকল সোণ বিক্ৰী কৰাৰ চেষ্টা চলোৱাৰ সময়তে তিনিজনীয়া চক্ৰ এটাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নকল সোণৰ নাওসহ জেহিৰুল ইছলাম, ভাইটি আলী আৰু বখৰুল আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জালুগুটি আৰক্ষীয়ে অভিযান চলাই তেলাহী নাৰমাৰীৰ জেহিৰুল ইছলাম আৰু ভাইটি আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জেহিৰুল আৰু ভাইটিৰ স্বীকাৰোক্তিৰ ভিত্তিত দলবাৰীত অভিযান চলাই বখৰুল আলীক নকল সোণৰ নাওসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জালুগুটি আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে নকল সোণৰ ব্যৱসায়ত জড়িত আন কেইবাজনো লোকক আটক কৰাৰ সম্ভাৱনা আছে। নকল সোণৰ এটা বৃহৎ চক্ৰই দীৰ্ঘদিন ধৰি মৰিগাঁও বিভিন্ন ঠাইত ৰমৰমীয়া বেহা চলাই অহাৰ অভিযোগ উঠিছে।



# ধৰ্ষণকাৰীক ৩০ বছৰৰ কাৰাদণ্ডসহ ৫০ হাজাৰ জৰিমনা

## কোকৰাঝাৰৰ বিশেষ আদালতৰ ৰায়দান

**ই-সংবাদ, কোকৰাঝাৰ, ৩০ মাৰ্চঃ** কোকৰাঝাৰ বিশেষ আদালতে আজি পকচো এক্ট ৬ নং ধাৰাৰ অধীনত ধৰ্ষণকাৰী হবিবুৰ ৰহমান(২৭)ক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকা জৰিমনা বিহিছে। জৰিমনা অনাদায়ে পুণৰাই এবছৰৰ সাধাৰণ কাৰাদণ্ড খাটিব লাগিব বুলি বিশেষ আদালতৰ বিশেষ ন্যায়াধীশ জে কোচে নিজৰ ৰায়দানত উল্লেখ কৰিছে। ঘটনা সন্দৰ্ভত চৰকাৰী অধিবক্তা (Public Procecutor) মঞ্জিত কুমাৰ ঘোষে সদৰি কৰা মতে ২০১৮ চনৰ ২ আগষ্টত অভিযুক্ত হবিবুৰ ৰহমানে এগৰাকী ১১ বছৰীয়া নাবালিকাক মোবাইল চোৰাৰ প্ৰলোভন দি ৰুমলৈ নি ধৰ্ষণ কৰে। উক্ত ঘটনাটো নিৰ্যাতিতাৰ খেলৰ লগৰীয়াসকলে পৰিয়ালৰ লোকক অৱগত কৰাত হাহাকাৰ লাগে আৰু পৰিয়ালৰ লোকে নাবালিকাগৰাকীক উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত কোকৰাঝাৰ জিলাৰ বগৰীবাৰী আৰক্ষী থানাত এক গোচৰ (নং ৮১/১৮) ৰজু হয়। ইপিনে, উক্ত গোচৰৰ সতে সংগতি ৰাখি কোকৰাঝাৰ বিশেষ আদালতত ৫১/১৮ নম্বৰৰ এটা বিশেষ গোচৰ পঞ্জীভুক্ত হয়। উক্ত গোচৰৰ ভিত্তিতে আজি কোকৰাঝাৰ বিশেষ আদালতৰ জে কোচৰ বিশেষ আদালতে পকচো আইনৰ ৬ নং ধাৰা মৰ্মে ধৰ্ষণকাৰী হবিবুৰ ৰহমানক ৩০ বছৰৰ কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে৷

# গতি অসমৰ ৪ দিনীয়া মূকাভিনয় কৰ্মশালাৰ সামৰণি

**গুৱাহাটী, ৩০ মাৰ্চঃ** সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'গতি অসম'ৰ উদ্যোগত ২৭ মাৰ্চৰ পৰা ৩০ মাৰ্চলৈ নুনমাটিৰ কল্পভট্ট চ'ক (নেপালী চ'ক)ৰ 'চিলড্ৰেন ড্ৰয়িং এণ্ড পেইণ্টিং ইনষ্টিটিউট'ত অনুষ্ঠিত হোৱা মূকাভিনয় কৰ্ণশাা আজি সামৰণি পৰে৷ বিশিষ্ট মূকাভিনয় শিল্পী সংগীত নাটক অকাডেমী বিছমিল্লা খাঁ যুৱ বঁটা বিজয়ী ড° কুলদীপ পাটগিৰিয়ে মুখ্য প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ প্ৰদান কৰা মূকাভিনয় কৰ্মশালাৰ সামৰণি অনুষ্ঠানত শিশুসকলৰ অভিভাৱকসকলৰ লগতে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে৷ সামৰণি অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰাক্তন মহিলা ভলীবল খেলুৱৈ সন্ধ্যা বৰুৱাই৷ তেওঁ অনুষ্ঠানত অংশগ্ৰহণ কৰি মূকাভিনয়ৰ মাজেৰে নতুন প্ৰজন্মৰ সৃষ্টিশীল প্ৰতিভাক আগুৱাই নিবলৈ চেষ্টাকৰা বাবে গতি অসমৰ শলাগ লয়৷ মুখ্য প্ৰশিক্ষক ড° কুলদীপ পাটগিৰিয়ে মূকাভিনয় কলাটো অসমত এতিয়াও প্ৰকৃত মৰ্যদা পোৱা নাই যদিও এচাম শিল্পীৰ নিৰল, প্ৰচেষ্টাৰ বাবে আগতকৈ বহু ক্ষেত্ৰত



আগবাঢ়ি গৈছে৷ তেওঁ শিল্পীসকলক কঠোৰ পৰিশ্ৰম কৰাৰ বাবে আহ্বান জনায়৷ লগতে মূকাভিনয় শিল্পীসকলৰ বাবে থকা বিভিন্ন সুবিধাৰ বিষয়েও তেওঁ উল্লেখ কৰে৷ অনুষ্ঠানত লেখক লেখিকা ড° মামণি বৰঠাকুৰ, ৰুমী বৰঠাকুৰেও মুকাভিনয় মাজেৰে নিজৰ স্বকীয় প্ৰতিভাৰ পৰিচয় দিবলৈ আহ্বান জনায়৷ আনহাতে লেখক তথা সুৰকাৰ গোলোক চন্দ্ৰ বৰাই মূকাভিনয়ৰ বিভিন্ন দিশ উল্লেখ কৰি কৰ্মশালাত প্ৰশিক্ষাৰ্থীসকলে এজন ভাল গুৰু পোৱা বুলিও উল্লেখ কৰে৷ তেওঁ ভূপেন হাজৰিকাৰ এটি গীত পৰিৱেশন কৰি সকলোক মুগ্ধ কৰে৷ গতি অসমৰ সম্পাদক অনুভৱ পৰাশৰে আঁত ধৰা অনুষ্ঠানটিত কে'বাগৰাকী অভিভাৱকেও নিজৰ মত ব্যক্ত কৰে৷ অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়৷ শেষত প্ৰশিক্ষাৰ্থীসকলে মূকাভিনয়ৰ কে'বাটাও অনুষ্ঠান পৰিৱেশন কৰি দৰ্শকসকলক মুগ্ধ কৰে৷

# বন্ধ কৰি দিয়া হ'ব পাৰে দুই বাঁও দলৰ বেংক একাউণ্ট!

**নতুন দিল্লী, ৩০মাৰ্চঃ** দেশৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ সকলো বেংক একাউণ্ট ইতিমধ্যে বন্ধ কৰি দিয়া হৈছে৷ নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ টকা নাই কংগ্ৰেছৰ৷ তেনে সময়তে আন এটা বিৰোধী দলক আয়কৰ বিভাগে জাননী প্ৰদান কৰিছে৷ ভাৰতীয় কমিউনিষ্ট পাৰ্টিক (চিপিআই) জাননী প্ৰদান কৰিছে৷ চিপিআইৰ সাধাৰণ সম্পাদক ডি. ৰাজাই এই কথা উল্লেখ কৰিছে৷ ডি. ৰাজাই কয় যে কিছু ৰাজ্যিক গোটে পুৰণি পেন কাৰ্ড ব্যৱহাৰ কৰাত আয়কৰ বিভাগে জাননী প্ৰদান কৰিছে। নিৰ্বাচৰ প্ৰচাৰ তীব্ৰ হোৱাৰ সময়তে আন এটা দলক আয়কৰ বিভাগে জাননী প্ৰদান কৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে৷ বিৰোধী দলক শলঠৈকত পেলাই শাসকীয় পক্ষক সহায় কৰিব খোজাৰ অভিযোগ উত্থাপন হৈ আহিছে৷ বিৰোধী দলসমূহক এনেদৰে লক্ষ্য কৰি লোৱাত নিৰ্বাচনত ব্যাপক প্ৰভাৱপৰিব পাৰে৷ বিৰোধী দলে নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ ইখন ৰাজ্যৰ পৰা সিখন ৰাজ্যলৈ যাবলৈ অৰ্থৰ অভাৱ হ'ব পাৰে৷ ফলত শাসকীয় পক্ষৰ সহায় হ'ব৷ ইতিমধ্যে কংগ্ৰেছৰ সকলো বেংক একাউণ্ট বন্ধ কৰি দিয়া হৈছে৷ আয়কৰ বিভাগে কংগ্ৰেছ দললৈ ১,৭০০ কোটি টকা আদায় দিয়াৰ জাননী প্ৰেৰণ কৰিছে৷ দিল্লী উচ্চ ন্যায়ালয়ে কৰ জাননীক প্ৰত্যাহ্বান জনাই দলটোৰ আবেদন খাৰিজ কৰাৰ এদিন পিছত কংগ্ৰেছক জাননী দিছে আয়কৰ বিভাগে। নতুন জাননীখনৰ দ্বাৰা মূল্যায়ন বৰ্ষ ২০১৭-১৮ৰ পৰা ২০২০-২১ লৈ জৰিমনা আৰু সূত অন্তৰ্ভুক্ত কৰা হৈছে। কংগ্ৰেছ নেতা অজয় মাকেনে আয়কৰ বিভাগৰ জাননীক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। আয়কৰ বিভাগে এতিয়ালৈকে কংগ্ৰেছক ১,৮২৩ কোটি টকাৰ দাবী জাননী জাৰি কৰিছে। ইয়াৰ ভিতৰত আছে ১৯৯৩-৯৪ চনত সীতাৰাম কেছৰিৰ কাৰ্যকালৰ সৈতে সম্পৰ্কিত ৫৩.৫ কোটি টকা। আমি দাবী জনাইছো যে আয়কৰ বিভাগে বিজেপিৰ বিৰুদ্ধে ৪,৬০০ কোটি টকাৰ কৰ দাবীৰ জাননী জাৰি কৰক। আয়কৰ বিভাগে ফেব্ৰুৱাৰীত কংগ্ৰেছৰ কৰ ৰিটাৰ্ণত বিসংগতিৰ অভিযোগ আনিছিল। বিভাগটোৱে ২০০ কোটি টকাৰ জৰিমনা আৰোপ কৰিছিল। আয়কৰ আপীল ন্যায়াধিকৰণে (আইটিএটি) দলটোক প্ৰাপ্য পৰিশোধ কৰিবলৈ আৰু তেওঁলোকৰ একাউণ্ট ফ্ৰীজ কৰিবলৈ কৈছিল। কংগ্ৰেছে কয় যে কৰ ন্যায়াধিকৰণৰ পুঁজি বন্ধ কৰি ৰখাৰ নিৰ্দেশ গণতন্ত্ৰৰ ওপৰত আক্ৰমণ৷ যিহেতু লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে এনে কৰা হৈছে৷ দিল্লী উচ্চ ন্যায়ালয়ে বৃহস্পতিবাৰে কংগ্ৰেছৰ দ্বাৰা জনোৱা প্ৰত্যাহ্বান আৱেদনৰ খাৰিজ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নিৰ্বাচনী বণ্ড বাতিল কৰাৰ পাছতে লোকসভা নিৰ্বাচনত ৰাজনৈতিক দলসমূহৰ পুঁজি এক কেন্দ্ৰীয় বিষয় হৈ পৰিছে। কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলসমূহে আদালতৰ ৰায়ক আদৰণি জনাইছিল৷ যাৰ পৰা বিজেপিয়ে আটাইতকৈ বেছি লাভান্বিত হোৱা আঁচনিখন বাতিল কৰা হৈছে৷

# এইবাৰ ইডিৰ টাৰ্গেট আপ নেতা, দিল্লী চৰকাৰৰ মন্ত্ৰী কৈলাশ গেহলট!

**ই-সংবাদ, ৩০মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে ইজনৰ পাছত সিজন বিৰোধী দলৰ টাৰ্গেট কৰি লৈছে ইডিয়ে৷ নিৰ্বাচনী অধিসূচনা বলৱৎ হোৱাৰ পাছৰে পৰা বিৰোধী দলৰ নেতাৰ বিৰুদ্ধে ইডিৰ অভিযানৰ গতি বৃদ্ধি হৈছে৷ দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰৰ পাছতে দলটোৰ আন কেইবাজনো নেতাক টাৰ্গেট কৰা হৈছে৷ এইবাৰ আম আদমী পাৰ্টিৰ নেতা কৈলাশ গেহলটক সোধ-পোছৰ বাবে চমন প্ৰদান কৰিছে৷ দিল্লী চৰকাৰৰ পৰিবহন মন্ত্ৰী কৈলাশ গেহলটক আজি সোধা-পোছাৰ বাবে ইডিয়ে মাতিছে। মন্ত্ৰী কৈলাশ গেহলট ইডিৰ কাৰ্যালয়লৈ যাব নে নাই সেই কথা জানিব পৰা হোৱা নাই৷ দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালকে ধৰি কেইবাজনো আপ নেতাক ইতিমধ্যে সুৰা নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। শেহতীয়াকৈ দিল্লীৰ পৰিবহন মন্ত্ৰী কৈলাশ গেহলটে কেজৰিৱালৰ এখন পোষ্টাৰ শ্বেয়াৰ কৰি 'ইণ্ডিয়া উইথ কেজৰিৱাল' বুলি কৈছিল। সমগ্ৰ দেশ দিল্লীৰ পুত্ৰৰ সৈতে থিয় দিছে। কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে কেজৰিৱালৰ সমৰ্থনত কণ্ঠস্বৰ উত্থাপন কৰিছে বুলিও কয় গেহলটে৷ আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক কেজৰিৱালক ২১ মাৰ্চত দিল্লীৰ আবকাৰী নীতি সম্পৰ্কীয় এটা মানি লণ্ডাৰিং গোচৰত ইডিয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু ১ এপ্ৰিললৈকে কেন্দ্ৰীয় তদন্ত সংস্থাৰ জিম্মাত দিয়া হৈছে। আবকাৰী নীতি সম্পৰ্কীয় ধনৰপ্তানিৰ গোচৰত গ্ৰেপ্তাৰ মনীষ চিছোদিয়া, সঞ্জয় সিঙো বৰ্তমান দিল্লীৰ কাৰাগাৰত বন্দী হৈ আছে। ২০২১-২২ বৰ্ষৰ বাবে দিল্লীচৰকাৰৰ আবকাৰী নীতি প্ৰস্তুত আৰু ৰূপায়ণত দুৰ্নীতি আৰু ধন ৰপ্তানিৰ সৈতে সম্পৰ্কিত। অৱশ্যে, এই আঁচনিখন পিছত বাতিল কৰা হৈছে। এক বিবৃতিত ইডিয়ে দাবী কৰে যে তদন্তত প্ৰকাশ পাইছে বিআৰএছ নেত্ৰী কবিতাই আনসকলৰ সৈতে দিল্লীৰ আবকাৰী নীতি প্ৰস্তুত আৰু ৰূপায়ণত লাভালাভ প্ৰাপ্ত কৰিবলৈ অৰবিন্দ কেজৰিৱাল আৰু মনীষ চিছোদিয়াকে ধৰি আপৰ শীৰ্ষ নেতাসকলৰ সৈতে ষড়যন্ত্ৰ কৰিছিল।

# প্ৰবীণ মুক্তি যুঁজাৰু জীতেন্দ্ৰ নাথ শৰ্মাৰ দেহাৱসান

**ই-সংবাদ, বৰমা, ৩০ মাৰ্চঃ** ৰাজ্যৰ প্ৰবীণ মুক্তি যুঁজাৰু, সদৌ অসম মুক্তি যুঁজাৰু সন্থাৰ সভাপতি জীতেন্দ্ৰ নাথ শৰ্মাৰ দেহাৱসান ঘটিছে। ১০১ বছৰ বয়সত বাধ্যৰ্কজনিত কাৰণত বাক্সা জিলাৰ বৰমাৰ ঘৰত দেহাৱসান ঘটে। ৪২ৰ স্বাধীনতা আন্দোলনত কাৰাবাস খটা শৰ্মাই জাতিৰ পিতা মহাত্মা গান্ধীৰো সান্নিধ্য লাভ কৰিছিল। এইগৰাকী বৰেণ্য ব্যক্তিৰ মৃত্যুত বাসগৃহত গুণমুগ্ধৰ ভিৰ পৰিলক্ষিত হয়। বৰমা অঞ্চলত প্ৰায়বোৰ দল-সংগঠনে শোভাযাত্ৰা কৰি বৰমা আছুৰ কাৰ্যালয়ত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শোভাযাত্ৰাৰ অন্তত নিজ বাসগৃহত ৰাজ্যিক মৰ্যদাৰে শেষকৃত্য সম্পন্ন কৰা হয়।অনুষ্ঠানত বাক্সা জিলা আয়ুক্ত কৃষ্ণা বৰুৱাৰ লগতে জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়া, শ শ গুণমুগ্ধ উপস্থিত থাকে। বাক্সা জিলা আয়ুক্ত কৃষ্ণা বৰুৱাই জিলাখনৰ একমাত্ৰ মুক্তি যুঁজাৰুগৰাকীৰ আদৰ্শেৰে যাতে আগবাঢ়ি যাব পাৰে তাৰেই কামনা কৰে৷

# পশ্চিম ঘিলামৰা এমই স্কুলৰ সোণালী জয়ন্তী উদযাপন

**ই-সংবাদ, ঘিলামৰা, ৩০মাৰ্চঃ** ২৮ মাৰ্চৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা পশ্চিম ঘিলামৰা এম ই স্কুলৰ সোণালী জয়ন্তী উৎসৱৰ আজি তৃতীয় দিনা উলিওৱা হয় সাংস্কৃতিক শোভাযাত্ৰা। এই শোভাযাত্ৰা উদ্বোধন কৰে ঘিলামৰা শাখা সাহিত্য সভাৰ সভাপতি দণ্ডীধৰ গোঁহায়ে। দুপৰীয়া বাৰ বজাৰ পৰা উদযাপন সমিতিৰ সভাপতি গুণকান্ত বড়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত নৰ্থ বেংক কলেজৰ অধ্যক্ষ ড° যুগল শইকীয়া, ঘিলামৰা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ড° কেশৱ হাজৰিকা , অৱসৰী প্ৰধান শিক্ষক ডিম্বেশ্বৰ চেতিয়া, এন চি ডি কলেজৰ অধ্যক্ষ ড° সুৰজিৎ দলে, কৃষি উন্নয়ন বিষয়া বৈশালী বৰুৱা উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।




# কোকৰাঝাৰত কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ



**ই-সংবাদ, কোকৰাঝাৰ, ৩০ মাৰ্চঃ** আয়কৰ বিভাগে কংগ্ৰেছক ১৮২৩.০৮ কোটি টকাৰ জৰিমনা আদায় দিবলৈ নিৰ্দেশনা জাৰি কৰাৰ পিছত আজি কোকৰাঝাৰতো কংগ্ৰেছ দলে প্ৰতিবাদ সাৰস্থ্য কৰিছে। কোকৰাঝাৰ জিলা কংগ্ৰেছৰ কাৰ্যালয় "ৰণেন্দ্ৰ ভৱন"ৰ প্ৰৱেশদ্বাৰত আজি কংগ্ৰেছৰ প্ৰায় শতাধিক সদস্যই স্বৈৰাচাৰী বিজেপি চৰকাৰ হায় হায়, বিজেপি হাটাও দেশ বাচাও, নৰেন্দ্ৰ মোডী মূৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মূৰ্দাবাদ আদি ইত্যাদি শ্লোগানেৰে সদৰ চহৰৰ পৰিৱেশ উত্তাল কৰি তোলে।
ইপিনে প্ৰতিবাদৰ অন্তত ১ নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৰ্জন মুছাহাৰীয়ে বিজেপিয়ে গণতন্ত্ৰ ধ্বংস কৰিব বিচাৰিছে বুলি মন্তব্য প্ৰকাশ কৰিছে। বিজেপিক এইবাৰ দেশৰ পৰা উৎখাত কৰাৰ আহ্বান জনাই গৰ্জন মুছাহাৰীয়ে কয় যে বিজেপিৰ পুনৰবাৰ। শাসনত আহিলে গণতন্ত্ৰ ভূ-লুণ্ঠিত হ'ব আৰু বিৰোধী নাথাকিব।
বিজেপিয়ে নিজে ইলেকট্ৰল বণ্ডত টকা লৈ কংগ্ৰেছৰ টকাৰ ওপৰত চকু দিছে বুলি মন্তব্য কৰিছে ১ নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৰ্জন মুছাহাৰীয়ে। আনহাতে প্ৰতিবাদথলীত উপস্থিত হৈ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ অশ্বিনী মহন্তই কয় যে স্বৈৰাচাৰী শাসন চলোৱা বিজেপিয়ে কংগ্ৰেছক ভয় কৰে আৰু কংগ্ৰেছে যাতে ৰাইজৰ কাষ চাপিব নোৱাৰে, জিকিব নোৱাৰে তাৰ বাবে কিছুমান পন্থা হাতত লৈছে। তেওঁলোকে ইডি, চিবিআই আৰু আয়কৰ বিভাগক পঠিয়াই দি এটা পৰিৱেশ ৰচনা কৰি কোম্পানীৰ পৰা ইলেকট্ৰল বণ্ডত টকা লয়। আনকি পাকিস্থানৰ কোম্পানীৰ পৰাও টকা লয়। পৃথিৱীৰ বৃহত্তম দুৰ্নীতি বিজেপিৰ শাসনকালতে হৈছে বুলি মন্তব্য কৰিছে অশ্বিনী মহন্তই। বিজেপিয়ে ইণ্ডিয়া এলায়েন্সক ভয় কৰে আৰু বৰ্তমান ভাৰতত ধৰ্মনিৰেপেক্ষতা নোহোৱা হৈছে বুলিও মন্তব্য কৰি বিজেপিক গাদীচ্যুত কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে


শেষ পৃষ্ঠা

# সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ কাৰ্যবাহী দীপক শৰ্মাক নিৰ্দেশ

**নতুন দিল্লী, ৩০ মাৰ্চঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে আজি অনুসন্ধান কমিটিয়ে প্ৰতিবেদন নিদিয়া পৰ্যন্ত খেল সম্পৰ্কীয় সকলো কাৰ্যকালাপৰ পৰা বিৰত থাকিবলৈ ইয়াৰ কাৰ্যবাহী দীপক শৰ্মাক নিৰ্দেশ দিছে। ফেডাৰেচনৰ কাৰ্যবাহী সদস্য শৰ্মাই গোৱা অনুষ্ঠিত হোৱা বি ডিভিজন লীগৰ এখন খেলত হিমাচল প্ৰদেশৰ খাদ এফ চিৰ দুগৰাকী খেলুৱৈক শাৰীৰিকভাৱে অপদস্ত কৰা বুলি অভিযোগ উত্থাপিত হৈছে। হিমাচল প্ৰদেশ ফুটবল সংস্থাই প্ৰদান কৰা অভিযোগৰ ভিত্তিতে তেওঁৰ বিৰুদ্ধে এই ব্যৱস্থা গ্ৰহণ কৰা হয়। ইতিমধ্যে এই লৈ আৰক্ষীৰ ওচৰতো অভিযোগ দাখিল কৰিছে ক্লাব কৰ্তৃপক্ষই। ইয়াৰ ভিত্তিত আৰক্ষীয়ে শৰ্মাক গ্ৰেপ্তাৰো কৰিছে।



মেক্সিকো ফৰেষ্ট ফেষ্টিভেলত এগৰাকী শিল্পী



# মৰিগাঁৱত তিৱা সাংস্কৃতিক মহোৎসৱত উদুলি মুদুলি পৰিৱেশ

**ই-সংবাদ, মৰিগাঁও, ৩০ মাৰ্চঃ** মৰিগাঁও চহৰৰ স্কুল খেলপথাৰৰ তিৱা ফা ইন্দ্ৰচিং দেউৰী ক্ষেত্ৰত অনুষ্ঠিত হোৱা 'তিৱা কান্থিচ্যুৰি খাম' অৰ্থাৎ তিৱা সাংস্কৃতিক মহোৎসৱ আজি দ্বিতীয় দিনা মহোৎসৱস্থলীত পুৱাৰে পৰা বিৰাজ কৰে এক উদুলি মুদুলি পৰিবেশ। আজি পুৱাৰ ভাগত মহোৎসৱ স্থলীত এটি বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত তিৱা জনগোষ্ঠীৰ প্ৰথমজন ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া (আই এ এছ) তথা অসম চৰকাৰৰ উচ্চ শিক্ষাৰ সচিব নাৰায়ণ কোঁৱৰৰ লগতে তিৱা জনগোষ্ঠীৰ প্ৰথমজন এম বি বি এছ চিকিৎসক ডাঃ পুনিৰাম পাতৰ, তিৱা জনগোষ্ঠীৰ প্ৰথমজন অসম অসামৰিক সেৱাৰ বিষয়া (এ চি এছ) মনেশ্বৰ দেউৰী, অসম চৰকাৰৰ ভীমবৰ দেউৰী বঁটা প্ৰাপক সাহিত্যিক মিলেশ্বৰ পাতৰ, অসম সৌৰভ বঁটা প্ৰাপক নৃত্যগুৰু নাদিৰাম দেউৰী, জ্যেষ্ঠ সাংবাদিক পদ্ম পাতৰ, তিৱা স্বায়ত্ব পৰিষদৰ প্ৰতিষ্ঠাপক মুখ্য কাৰ্যবাহী সদস্য নাৰায়ণ কুমাৰ ৰাডুকাকতি, জনগোষ্ঠীটোৰ বিশিষ্ট ব্যক্তি ক্ৰমে মুংছাজ লাম্বি মিঠি, হৰচিং খলাৰ, চায়াৰানী মেলাং, মুকুন্দ টেৰণ, ড০ ৰাজীৱ দলৈ, মনেশ্বৰ পাতৰ, পিলু আমছি, খৰ্গেশ্বৰ বৰদলৈ সহ কুৰিজনৰো অধিক বিশিষ্ট ব্যক্তিক আনুষ্ঠানিক ভাবে সম্বৰ্দ্ধনা জনোৱা হয়। সাংস্কৃতিক মহোৎসৱৰ উদযাপন সমিতিৰ সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি মহৰঙে আঁত ধৰা এই অনুষ্ঠানটোত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অধ্যক্ষ মদন দেউৰী আৰু সদৌ তিৱা ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ৰিমল আমচি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। পুৱাৰ ভাগতে সাংস্কৃতিক মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা 'তিৱা খুৰাং' অৰ্থাৎ তিৱাৰ প্ৰতিধ্বনি নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে তিৱা ভাষা সাহিত্যৰ গৱেষক মনেশ্বৰ দেউৰীয়ে।






newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান